# NSD NEWS BULLETIN
# ALL INDIA RADIO, GUWAHATI

0000000000

**Date :** 29-11-2024
**Time :** 0705 hrs

*Assamese Morning Bulletin*

# HEADLINES

১। সশস্ত্ৰ বাহিনীয়ে ভাৰতৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰাৰ লগতে চাইবাৰ যুদ্ধ আৰু সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বানৰ বিৰুদ্ধেও প্ৰস্তুতি চলাব লাগিব বুলি ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৱে মন্তব্য কৰিছে।

২। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰাৰ উদ্দেশ্যে আজি ওড়িশালৈ ৰাওনা হ'ব।

৩। কেন্দ্ৰীয় চৰকাৰে ২০৩০ চনৰ ভিতৰত দেশৰ বস্ত্ৰ উদ্যোগৰ ব্যৱসায় ৩ লাখ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে।

৪। ভাৰত আৰু ৰাচিয়াৰ সামৰিক সহযোগিতা সম্পৰ্কীয় কাৰ্যগোটৰ চতুৰ্থখন বৈঠক কালি মস্কোত সম্পন্ন হয়।

*আৰু*

৫। ভাৰতে পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ এখন খেলত কালি জাপানক ৩-২ গলৰ ব্যৱধানত পৰাস্ত কৰে।

ooooo

সশস্ত্ৰ বাহিনীয়ে ভাৰতৰ জাতীয় স্বাৰ্থ সুৰক্ষিত কৰাই নহয়, বৰং চাইবাৰ যুদ্ধ আৰু সন্ত্ৰাসবাদৰ দৰে প্ৰত্যাহ্বানৰ বাবেও প্ৰস্তুতি চলাব লাগিব। তামিলনাড়ুৰ ৱেলিংটনৰ প্ৰতিৰক্ষা সেৱা ষ্টাফ কলেজৰ শিক্ষাৰ্থী আৰু অধ্যাপকসকলক সম্বোধন কৰি কালি ৰাষ্ট্ৰপতি দ্ৰৌপদী মুৰ্মুৱে এইদৰে প্ৰকাশ কৰে। তেওঁ কয়, যে দ্ৰুতগতিত পৰিৱৰ্তন হোৱা ভূ-ৰাজনৈতিক পৰিৱেশত যিকোনো পৰিস্থিতিৰ সৈতে মোকাবিলা কৰিবলৈ ভালদৰে সাজু হোৱাটো প্ৰয়োজন। যোৱা বুধবাৰে চাৰিদিনীয়া ভ্ৰমণসূচীৰে তামিলনাডুত উপস্থিত হোৱা ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে আজি উধাগা-মাণ্ডালামৰ ৰাজভৱনত নীলগিৰি জিলাৰ জনজাতীয় মহিলা আত্মসহায়ক গোটৰ সদস্য আৰু জনজাতীয় সম্প্ৰদায়ৰ বিশিষ্ট সদস্যসকলৰ সৈতে মত বিনিময় কৰিব। কাইলৈ ৰাষ্ট্ৰপতিগৰাকীয়ে তামিলনাডুৰ কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ সমাৱৰ্তন অনুষ্ঠানত উপস্থিত থাকিব।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে ভূৱনেশ্বৰত হ'বলগীয়া আৰক্ষী সঞ্চালক প্ৰধান আৰু আৰক্ষী মহাপৰিদৰ্শকসকলৰ সৰ্বভাৰতীয় সন্মিলনত অংশগ্ৰহণ কৰাৰ লগতে অন্যান্য ভালেমান কাৰ্যসূচী লৈ আজিৰ পৰা তিনিদিনীয়াকৈ ওড়িশা

ভ্ৰমণ কৰিব। দেশৰ সকলো ৰাজ্য তথা কেন্দ্ৰীয় শাসিত অঞ্চলৰ আৰক্ষী সঞ্চালকপ্ৰধানসকলৰ উপৰি চি আৰ পি এফ, ৰ, এন এছ জি, ইণ্টালিজেন্স ব্যুৰ' আৰু এছ পি জিৰ মুৰব্বীসকলে ভাগ ল'বলগীয়া এই সন্মিলনখন ওড়িশাই প্ৰথমবাৰৰ বাবে আয়োজন কৰিছে। লোক সেৱা ভৱণত হ'বলগীয়া সন্মিলনখনত প্ৰধানমন্ত্ৰীৰ উপৰি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহ আৰু ৰাষ্ট্ৰীয় সুৰক্ষা উপদেষ্টা অজিত দোভালেও অংশ লোৱাৰ কথা আছে। সন্মিলনত আভ্যন্তৰীন সুৰক্ষা, চাইবাৰ অপৰাধ, মাওবাদীসকলৰ ভাবুকি, কৃত্ৰিম বুদ্ধিমত্তাই সৃষ্টি কৰা প্ৰত্যাহ্বান, ড্ৰোণৰ পৰা অহা শেহতীয়া ভাবুকি, সন্ত্ৰাসবাদ প্ৰতিৰোধী ব্যৱস্থা আদিকে ধৰি ভালেমান গুৰুত্বপূৰ্ণ বিষয় আলোচিত হোৱাৰ সম্ভাৱনা আছে।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কালি দেশৰ যুৱ চামৰ উত্তৰণৰ বাবে চৰকাৰে সকলো ধৰণৰ সুযোগ দিয়াৰ প্ৰতিশ্ৰুতিবদ্ধতা পুনৰ প্ৰকাশ কৰে। মাই গভ ইণ্ডিয়াই সামাজিক মাধ্যমত লিখা এটা পোষ্টৰ সঁহাৰিত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতৰ যুৱ শক্তিয়ে আশ্চৰ্যজনক কাম কৰিব পাৰে বুলি আস্থা প্ৰকাশ কৰে।

ooooo

অষ্ট্ৰেলিয়া ভ্ৰমণৰত ভাৰতীয় ক্ৰিকেট দল আৰু দেশখনৰ প্ৰধানমন্ত্ৰী একাদশ ক্ৰিকেট দলৰ খেলুৱৈসকলক দেশখনৰ প্ৰধানমন্ত্ৰী এণ্টনি আলবানিজে সাক্ষাৎ কৰাক লৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে সন্তোষ প্ৰকাশ কৰিছে। সামাজিক মাধ্যমৰ এটা পোষ্টত প্ৰধানমন্ত্ৰীগৰাকীয়ে ভাৰতীয় দলে অষ্ট্ৰেলিয়াৰ বিৰুদ্ধে চলি থকা টেষ্ট ক্ৰিকেট শৃংখলাৰ প্ৰথমখন টেষ্টত বিজয় অৰ্জন কৰা বাবে ভাৰতীয় ক্ৰিকেট খেলুৱৈসকলক প্ৰশংসা কৰে। দেশখনৰ প্ৰধানমন্ত্ৰীগৰাকীৰ এটা পোষ্টত সঁহাৰি জনাই শ্ৰীমোদীয়ে কয়, যে ১৪০ কোটি ভাৰতীয়ই মেন ইন ব্লু অৰ্থাৎ ভাৰতীয় ক্ৰিকেট দলক সমৰ্থন কৰে।

ooooo

কেন্দ্ৰীয় চৰকাৰে ২০৩০ চনৰ ভিতৰত দেশৰ বস্ত্ৰ উদ্যোগৰ ব্যৱসায় ৩ লাখ ৫০ হাজাৰ কোটি টকালৈ বৃদ্ধি কৰাৰ লক্ষ্য স্থিৰ কৰিছে। বস্ত্ৰ নগৰী চুৰাট ভ্ৰমণৰত কেন্দ্ৰীয় বস্ত্ৰ মন্ত্ৰী গিৰিৰাজ সিঙে কালি বিয়লি কেন্দ্ৰীয় আৰু ৰাজ্য চৰকাৰৰ বিষয়াবৰ্গৰ সৈতে আয়োজিত এখন পৰ্যালোচনা বৈঠকত এই মন্তব্য কৰে। বৈঠকত মন্ত্ৰীগৰাকীয়ে নৱচাৰিত স্থাপন কৰিবলগীয়া পি এম মিত্ৰ পাৰ্কৰ কামৰ অগ্ৰগতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে আজি বিয়লি ভাৰত টেক্স ২০২৫ শীৰ্ষক অনুষ্ঠানৰ প্ৰচাৰৰ বাবে চুৰাটত এটা ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ কথা আছে।

ooooo

মহাৰাষ্ট্ৰৰ তত্বাবধায়ক মুখ্যমন্ত্ৰী তথা শিৱসেনাৰ মুৰব্বী একনাথ সিন্দে, বিজেপিৰ নেতা দেৱেন্দ্ৰ ফাড়নবিছ আৰু এন চি পিৰ মুৰব্বী অজিত পাৱাৰে ৰাজ্যখনত নতুন চৰকাৰ গঠন সন্দৰ্ভত আলোচনা কৰিবলৈ কালি নতুন দিল্লীত কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহক সাক্ষাৎ কৰে। সাক্ষাৎকালত কেন্দ্ৰীয় মন্ত্ৰী জগৎ প্ৰকাশ নাড্ডাও উপস্থিত আছিল।

শ্ৰীসিন্দেই ইতিমধ্যে প্ৰকাশ কৰিছে যে, ৰাজ্যখনত চৰকাৰ গঠনৰ ক্ষেত্ৰত তেওঁ বাধা হিচাপে থিয় নিদিয়ে আৰু বিজেপিৰ কেন্দ্ৰীয় নেতৃত্বই ৰাজ্যখনৰ মুখ্যমন্ত্ৰীৰ পদ সন্দৰ্ভত যি সিদ্ধান্ত ল'ব, তাকেই তেওঁ মানি চলিব।

পাছত সামাজিক মাধ্যমত লিখা এটা পোষ্টত বিজেপি নেতা দেৱেন্দ্ৰ ফাড়নবিছে ৰাজ্যখনৰ বিধানসভা নিৰ্বাচনত আগবঢ়োৱা সমৰ্থনৰ বাবে কেন্দ্ৰীয় গৃহমন্ত্ৰীগৰাকীৰ শলাগ লয়। তেওঁ লগতে শ্ৰীশ্বাহে দলীয় কৰ্মীসকলক অনুপ্ৰাণিত কৰা বাবেও ধন্যবাদ জনায়।

ooooo

ভাৰত-ৰাছিয়া আন্তঃ চৰকাৰী সামৰিক আৰু সামৰিক-কাৰিকৰী সহযোগিতা আয়োগৰ অধীনৰ সামৰিক সহযোগিতা সম্পৰ্কীয় কাৰ্য গোটৰ চতুৰ্থখন বৈঠক কালি মস্কোত সম্পন্ন হয়৷ বৈঠকত ভাৰতক প্ৰতিনিধিত্ব কৰা সংহত প্ৰতিৰক্ষা কৰ্মচাৰীৰ মুৰব্বী লেফটেনেণ্ট জেনেৰেল জে পি মেথিউ আৰু ৰাছিয়াক প্ৰতিনিধিত্ব কৰা দেশখনৰ সশস্ত্ৰ বাহিনীৰ উপ-মুখ্য লেফটেনেণ্ট জেনেৰেল ডাইলেভস্কি ইগ'ৰ নিকোলায়েভিচৰ সহঅধ্যক্ষতাত বৈঠকখন সম্পন্ন হয়। উল্লেখযোগ্য যে, দুয়োখন ৰাষ্ট্ৰই স্থল, আকাশ আৰু সাগৰীয় ক্ষেত্ৰত যৌথভাৱে অনুশীলন অব্যাহত ৰাখিছে৷ ভাৰত-ৰাছিয়াৰ প্ৰতিৰক্ষা সহযোগিতাৰ বাবে কাৰ্য গোটে বৰ্তমানৰ সামৰিক সংযোগৰ মূল্যায়নৰ বাবে এখন মঞ্চ প্ৰদান কৰাৰ লগতে নিৰাপত্তা প্ৰত্যাহ্বানসমূহৰ সৈতে মোকাবিলা কৰিবলৈ বিশেষ ভূমিকা গ্ৰহণ কৰে।

ooooo

শ্ৰোতাসকলে আমাৰ এই বাতৰি আকাশবাণী গুৱাহাটীৰ মিডিয়াম ৱেভৰ ৪১১ দশমিক ৫, ২৮৯ দশমিক ৯ মিটাৰ, ডি আৰ এম ফ্ৰিকুৱেঞ্চি এহেজাৰ ২৬ কিলোহাৰ্টজ, এফ এম বেণ্ডৰ ১০০ দশমিক ৮ আৰু ১০১ দশমিক ৬ মেগাহাৰ্টজৰ লগতে **ফে'চবুক পেজ-এয়াৰ নিউজ গুৱাহাটী** আৰু **ইউটিউব চেনেল এ আই আৰ নিউজ গুৱাহাটী যোগে লাইভ ষ্ট্ৰিমিঙতো** শুনিবলৈ পাইছে। এই বাতৰি আমাৰ ইউটিউব চেনেল আৰু নিউজ অন এয়াৰ এপতো শুনিব পাৰে। শ্ৰোতাসকলে শেহতীয়া বা-বাতৰিৰ বাবে **এক্স হেণ্ডেলত-এয়াৰ নিউজ_জি এইছ ৱাই** আৰু **ইনষ্টাগ্ৰামত এয়াৰ নিউজ_গুৱাহাটী** ফ'ল' কৰিব পাৰে।

ooooo

ওমানৰ মাস্কাটত চলি থকা চলিত বৰ্ষৰ পুৰুষৰ জুনিয়ৰ এছিয়া কাপ হকী প্ৰতিযোগিতাৰ পুল এ'ৰ এখন খেলত কালি ভাৰতে জাপানক ৩-২ গলৰ ব্যৱধানত পৰাস্ত কৰে। থাইলেণ্ডৰ বিৰুদ্ধে ১১-০ ব্যৱধানত বিজয় অৰ্জন কৰা ভাৰতীয় দলৰ এয়া হ'ল ক্ৰমাগত দ্বিতীয়টো জয়। ভাৰতৰ হৈ থকচম কিংচন সিং, ৰোহিত আৰু অৰাইজিৎ সিং হুণ্ডালে গলকেইটা দিয়ে। জাপানৰ হৈ নিয়ো চাটোৱে দুটা গল পৰিশোধ কৰে। প্ৰতিযোগিতাত কাইলৈ আৰু পৰহিলৈ ভাৰত ক্ৰমে চীনা টাইপেই আৰু কোৰিয়াৰ মুখামুখি হ'ব।

ooooo

২০২৫ বৰ্ষৰ চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতা পাকিস্তানত অনুষ্ঠিত হ'ব নে নহয়, সেই বিষয়ে আলোচনা কৰিবলৈ আন্তঃৰাষ্ট্ৰীয় ক্ৰিকেট পৰিষদে আজি ভাৰ্চুৱেল পদ্ধতিৰে এখন বৈঠকৰ আয়োজন কৰিছে। প্ৰতিযোগিতাখন অহা বছৰৰ ১৯ ফেব্ৰুৱাৰীত আৰম্ভ হৈ মাৰ্চত সমাপ্ত হোৱাৰ কথা আছে যদিও পৰিষদে এই পৰ্যন্ত খেলসমূহৰ সূচী প্ৰকাশ কৰা নাই। পাকিস্তানত এই প্ৰতিযোগিতা আয়োজিত হ'লে ভাৰতে অংশগ্ৰহণৰ পৰা বিৰত থাকিব বুলি পৰিষদে পাকিস্তানৰ ক্ৰিকেট পৰিষদক লিখিতভাৱে জনোৱাৰ পাছত এই বৈঠকৰ আয়োজন কৰা হৈছে।

ooooo

১৯৮৩ চনৰ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ খিতাপ দখল কৰাটো ভাৰতীয় ক্ৰিকেটৰ ইতিহাসৰ মাইলৰ খুঁটি। নতুন দিল্লীত প্ৰাক্তন ভাৰতীয় ক্ৰিকেট খেলুৱৈ মহিন্দৰ অমৰনাথৰ **ফিয়াৰলেচ** নামৰ আত্মজীৱনীখন উন্মোচন কৰি বিদেশ মন্ত্ৰী ড° এছ্ জয়শংকৰে এই মন্তব্য কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে ১৯৮৩ চনৰ পাছত বিশ্ব ক্ৰিকেটত ভাৰতৰ ভূমিকা চকুত লগা ধৰণে সলনি হৈছে। সকলো স্মৃতিৰ বাবে প্ৰাক্তন খেলুৱৈগৰাকীক ধন্যবাদ জ্ঞাপন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে তেওঁৰ শান্ত স্বভাৱ, কাৰ্য দক্ষতা আৰু চৰিত্ৰই ক্ৰিকেট আৰু জীৱনৰ লগতে কূটনীতিৰ বাবেও নিশ্চিতভাৱে বহু কথা শিকাইছে।

ooooo

**সমাপ্ত**